# 1 (Sem–4/FYUGP) ASS 41 MN/(B)

## 2026

## ASSAMESE

## ( Minor )

Paper : ASS4400504MN

( অসমীয়া লোকসাহিত্য অধ্যয়ন )

( Set–B )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমু উত্তৰ দিয়া : ১×৮=৮

(ক) লোকসাহিত্যৰ স্ৰষ্টা কোন?

(খ) 'অসমীয়া জন-সাহিত্য' গ্ৰন্থখন কাৰ ৰচনা?

(গ) ভঠেলি উৎসৱ কেতিয়া পালন কৰা হয়?

(ঘ) নিচুকনি গীতৰ আন এটা নাম কি?

(ঙ) মৈষাল গীত কোন অঞ্চলৰ লোকগীত?

(চ) নাহৰৰ গীত কোন শ্ৰেণীৰ মালিতা?

(ছ) লোককথাৰ তৃতীয় বৈচিত্ৰ্যময় ৰূপটো কি?

(জ) যোজনাৰ আন এটা নাম কি?

২। চমু উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) লোকসাহিত্যৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) বিয়াগীতবোৰক প্ৰধানত কি কি ভাগত ভগাব পাৰি?

(গ) শ্ৰমমূলক দুটি লোকগীতৰ নাম লিখা।

(ঘ) 'আলি-আয়ে-লৃগাং' কোন জনগোষ্ঠীয়ে, কেতিয়া পালন কৰে?

(ঙ) মন্ত্ৰ সাহিত্যৰ দুটা বৈশিষ্ট্য লিখা।

(চ) দুটা বুৰঞ্জীমূলক মালিতাৰ নাম উল্লেখ কৰা।

(ছ) বাৰমাহী গীতৰ আৰম্ভণি মাহ দুটা কি কি?

(জ) 'প্ৰবাদ' শব্দৰ ব্যুৎপত্তিগত অৰ্থ কি?

(ঝ) সংস্কৃত ভাষাত ৰচনা কৰা ভাৰতীয় সাধুকথা পুথি দুখনৰ নাম লিখা।

(ঞ) লক্ষ্মীনাথ বেজবৰুৱাই সাধুকথাক কি কি দুটা ভাগত ভাগ কৰিছে, লিখা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) লোকোক্তি

(খ) জনগোষ্ঠীয় লোকসাহিত্য





(গ) বিয়াগীত

(ঘ) মহোহো বা মহখেদাগীত

(ঙ) খেল-ধেমালিৰ গীত

(চ) বুৰঞ্জীমূলক মালিতা

(ছ) বাৰমাহী গীত

(জ) সাঁথৰ

৪। ৰচনাধৰ্মী উত্তৰ লিখা (যি কোনো দুটা) : ১০×২=২০

(ক) লোকগীত কাক বোলে? লোকগীতৰ শ্ৰেণীবিভাজন কৰি এটি আলোচনা যুগুত কৰা।

(খ) গোৱালপৰীয়া লোকগীতত প্ৰেম আৰু বিৰহৰ ছবি কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(গ) দেহ বিচাৰৰ গীত কাক বোলে? দেহ বিচাৰৰ গীতৰ তাত্ত্বিক আৰু দাৰ্শনিক দিশ সম্পৰ্কে বহলাই লিখা।

(ঘ) মালিতা কাক বোলে? মালিতাৰ বৈশিষ্ট্যসমূহ লিখা।

(ঙ) যোজনা-পটন্তৰ কি? অসমীয়া সমাজত প্ৰচলিত যোজনা-পটন্তৰৰ বিষয়ে বহলাই আলোচনা কৰা।

★★★

# 2026

## ASSAMESE

### ( Minor )

Paper : ASS4400604MN

( ভাষাবিজ্ঞান পৰিচয় )

( Set–A )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমু উত্তৰ লিখা : ১×৮=৮

(ক) আধুনিক ভাষা-বিজ্ঞানৰ পিতৃ বুলি কাক অভিহিত কৰা হয়?

(খ) অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা?

(গ) ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত এটা ক্ৰেওলৰ নাম লিখা।

(ঘ) *A Study on Kamrupi : A Dialect of Assamese* নামৰ গ্ৰন্থখনৰ ৰচক কোন?

(ঙ) মান্য ভাষা বুলিলে কি বুজা ?

(চ) 'ধাননি'—এই শব্দটোত থকা বদ্ধ প্ৰাকৃতিটো কি ?

(ছ) 'Oral cavity'ক অসমীয়াত কি নামেৰে জনা যায় ?

(জ) এবিধ উচ্চাৰণকৰণ বাগিন্দ্ৰিয়ৰ নাম লিখা।

২। চমু উত্তৰ লিখা (যি কোনো ছয়টা) : ২×৬=১২

(ক) উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান (Articulatory phonetics) বুলিলে কি বুজা ?

(খ) সংযোগী ভাষা মানে কি ?

(গ) ভাষাবিজ্ঞানত যাদৃচ্ছিকতা শব্দটোৰে কি বুজায় ?

(ঘ) বদ্ধৰূপ বুলিলে কি বুজা ?

(ঙ) ধ্বনি পৰিৱৰ্তনৰ দুটা কাৰণ উল্লেখ কৰা।

(চ) অসমীয়া ভাষাত শব্দ-বিভক্তি কেইবিধ ? অসমীয়া ভাষাত অপাদান কাৰকৰ বিভক্তি আছেনে ?

(ছ) অসমীয়া ভাষাৰ অৰ্ধস্বৰ দুটা কি কি ?

(জ) 'Morph' আৰু 'Ology' শব্দ দুটাই কি বুজায় ?

(ঝ) *Course de Linguistics Genarale* গ্ৰন্থখনৰ ৰচক কোন ? গ্ৰন্থখন কোন চনত প্ৰকাশিত হৈছিল ?

(ঞ) গোৱালপৰীয়া উপভাষাৰ দুটা আঞ্চলিক ৰূপৰ নাম লিখা।





৩। চমুকৈ লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) প্ৰায়োগিক ভাষা-বিজ্ঞানৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(খ) ভাষা-বিজ্ঞানক কিয় বিজ্ঞান বোলা হয়, আলোচনা কৰা।

(গ) পৰিস্থিতি নিৰ্দ্ধাৰক উপভাষা (Register language) মানে কি ? উদাহৰণসহ ব্যাখ্যা কৰা।

(ঘ) জিভাৰ অংশ আৰু অৱস্থান অনুসৰি বিশিষ্ট স্বৰধ্বনিৰ তালিকাখন প্ৰস্তুত কৰি দেখুওৱা।

(ঙ) অসমীয়া ভাষাৰ উদাহৰণ দি শব্দ-সাধনৰ সৰ্গৰ বিষয়ে আলোচনা কৰা।

(চ) বৰ্ণনাত্মক ভাষা-বিজ্ঞান (Descriptive linguistics) সম্পৰ্কে আলোচনা কৰা।

(ছ) ঐতিহাসিক ভাষা-বিজ্ঞান (Historical linguistics) সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(জ) ব্যক্তিভাষা (Ideolect) সম্পৰ্কে আলোচনা কৰা।

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো দুটা) : ১০×২=২০

(ক) ভাষা-পৰিয়াল মানে কি ? কোনটো ভাষা-পৰিয়ালক 'মহান' আখ্যা দিয়া হয় ? 'মহান' আখ্যা দিয়াৰ কাৰণসমূহ ব্যাখ্যা কৰা। ২+১+৭=১০

(খ) উপভাষা কাক বোলে? উপভাষা সৃষ্টিৰ কাৰকসমূহ উল্লেখ কৰি উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে বহলাই আলোচনা কৰা। ২+৪+৪=১০

(গ) বাক্যতত্ত্ব মানে কি? পৰম্পৰাগত ধাৰা অনুসৰি অসমীয়া ভাষাৰ বাক্যক কিদৰে শ্ৰেণীবিভাজন কৰিব পাৰি, আলোচনা কৰা। ২+৮=১০

(ঘ) বাগধ্বনিৰ উচ্চাৰণ সম্পৰ্কে উপযুক্ত চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা।

(ঙ) 'আধুনিক ভাষাবিজ্ঞান চৰ্চা' সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

★★★

# 2026

## ASSAMESE

( Minor )

Paper : ASS4400704MN

( অসমীয়া কবিতা )

( Set–A )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) 'ৰামায়ণ'ৰ উপৰিও আৰু কি কাব্যত মাধৱ কন্দলিৰ ভণিতা পোৱা যায়?

(খ) শংকৰদেৱে ৰচনা কৰা এখন কাব্যৰ নাম লিখা।

(গ) 'গীতি ৰামায়ণ' কাৰ ৰচনা?

(ঘ) ভোলানাথ দাস কোন যুগৰ কবি?

(ঙ) প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাটো কি?

(চ) দেৱকান্ত বৰুৱাই তেওঁৰ কবিতাত ব্যৱহাৰ কৰা ছন্দটোৰ নাম কি?

(ছ) 'হে অৰণ্য হে মহানগৰ' কাব্যগ্ৰন্থৰ ৰচক কোন?

(জ) জ্ঞানপীঠ বঁটা লাভ কৰা এজন অসমীয়া কবিৰ নাম লিখা।

২। চমু উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) প্ৰাক্-শংকৰী যুগৰ সাহিত্যৰ দুটা বৈশিষ্ট্য লিখা।

(খ) শংকৰদেৱে অনুবাদ কৰা ভাগৱতৰ দুটা স্কন্ধৰ নাম লিখা।

(গ) প্ৰাক্-ৰোমাণ্টিক যুগৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা।

(ঘ) 'জোনাকী' আলোচনী কেতিয়া আৰু ক'ৰ পৰা প্ৰকাশ হৈছিল?

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা কাব্যসংকলন দুখনৰ নাম কি কি?

(চ) 'প্ৰতিমাৰ খনিকৰ' বুলি কাক কোৱা হয়? বেজবৰুৱাই 'প্ৰতিমা'ৰ প্ৰসংগত কি কৈছিল?

(ছ) কেতিয়া আৰু কোনখন কাব্যপুথিৰ বাবে অম্বিকাগিৰী ৰায়চৌধুৰীয়ে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(জ) যুগসন্ধিৰ কবি বুলি কাক কোৱা হয়? কোনজন পাশ্চাত্য কবিৰ প্ৰভাৱ তেওঁৰ কবিতাত দেখা পোৱা যায়?





(ঝ) নৱকান্ত বৰুৱাৰ দুখন উপন্যাসৰ নাম লিখা।

(ঞ) অজিৎ বৰুৱাৰ দুখন কাব্যসংকলনৰ নাম লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) "কবিসব নিবন্ধয় লোক ব্যৱহাৰে।
কতো নিজ কতো লম্ভা কথা অনুসাৰে।"

কোনে, কি প্ৰসংগত কৈছিল, আলোচনা কৰা।

(খ) ৰাম-লক্ষ্মণ-সীতাৰ বনগমনৰ পিছত প্ৰজাসাধাৰণৰ অৱস্থা কেনেকুৱা হৈছিল, 'ৰামবিহীন অযোধ্যা'—শীৰ্ষক কবিতাৰ আধাৰত লিখা।

(গ) দুৰ্গাবৰৰ 'গীতি ৰামায়ণ'ত মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ প্ৰভাৱ কিদৰে পৰিছে, আলোচনা কৰা।

(ঘ) 'শৰৎ বৰ্ণনা' কবিতাত ভক্তিৰ মাহাত্ম্য কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঙ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যকৃতি সম্পৰ্কে এটা আলচ যুগুত কৰা।

(চ) 'গোলাপ' কবিতাত প্ৰেমৰ অনুভূতি কিদৰে প্ৰকাশিত হৈছে, লিখা।

(ছ) দেৱকান্ত বৰুৱাৰ কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(জ) নীলমণি ফুকনৰ কবিতা আলোচনা কৰা।

৪। যি কোনো দুটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×২=২০

(ক) মাধৱ কন্দলিৰ 'ৰামবিহীন অযোধ্যাৰ বৰ্ণনা'-শীৰ্ষক কাব্যাংশৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

(খ) শৰৎকালৰ মনোমোহা প্ৰাকৃতিক সৌন্দৰ্যৰ বৰ্ণনা শংকৰদেৱৰ 'শৰৎ বৰ্ণনা'ত কিদৰে উদ্ভাসিত হৈ উঠিছে, আলোচনা কৰা।

(গ) দেৱকান্ত বৰুৱাৰ 'মনোৰমা' কবিতাটোৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা।

(ঘ) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'অজেয়' কবিতাত ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্য কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(ঙ) নৱকান্ত বৰুৱাৰ কাব্যকৃতি আলোচনা কৰি তেওঁৰ 'পলস' কবিতাটোৰ বিষয়ে লিখা।

★★★